# *Eminent Educationist Dr. Nandita...*

University in Nalbari.

Dr. Goswami, a renowned Sanskrit scholar, transferred the amount through bank transaction. She has suggested that the university may utilize the fund for the promotion of Sanskrit education, for research in the Indian knowledge tradition, and for any other important purpose as required.

Speaking on the occasion, university officials described the donation as an "inspiring example of selfless service to education and culture."

A delegation from the university led by Vice-Chancellor Prof. Prahlad R. Joshi, along with Rector Prof. Mallika Kalita and Registrar Dr. Manoj Sharma, along with several faculty members, visited Dr. Goswami at her Guwahati residence on Tuesday to express gratitude and felicitate her.

The Vice-Chancellor said the generous contribution will provide new momentum to the study of Sanskrit language, literature, and Indian knowledge systems for future generations.

Dr. Goswami is married to Dr. Pannal Goswami, former Professor of Chemistry at Cotton College. The couple has served Assam's education sector for several decades and is widely respected in academic circles.

Educationists and social observers have hailed Dr. Goswami's gesture as a benchmark for academia, noting that such selfless contributions strengthen institutions and inspire younger generations.

# Eminent Educationist Dr. Nandita Bhattacharya Goswami Donates Rs. 1 Crore to Kumar Bhaskar Varma Sanskrit University



**Mazibur Rahman, July 15:** In a rare act of philanthropy, eminent educationist Dr. Nandita Bhattacharya Goswami, former Vice-Principal of Cotton College and present-day Cotton University, has donated her entire lifetime savings of Rs. 1 crore to the Kumar Bhaskar Varma Sanskrit and Ancient Studies ***Contd to Pg 11.***



## কটনৰ প্ৰাক্তন উপাধ্যক্ষ ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীৰ মহানুভৱতা

# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়লৈ কোটি টকা দান

প্ৰতিদিন সেৱা, নলবাৰী, ১৫ জুলাই ঃ কটন মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা, সংস্কৃত পণ্ডিত ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীয়ে তেওঁৰ সাঁচতীয়া এক কোটি টকা নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়লৈ দান কৰি সমাজত এক উজ্জ্বল দৃষ্টান্ত দাঙি ধৰিছে। বেংকৰ জৰিয়তে হস্তান্তৰ কৰা এই বৃহৎ পৰিমাণৰ ধনৰাশি বিশ্ববিদ্যালয়খনে সংস্কৃত শিক্ষাৰ প্ৰসাৰ আৰু ভাৰতীয় জ্ঞান পৰম্পৰাৰ অধ্যয়ন-গৱেষণাৰ লগতে প্ৰয়োজন অনুসৰি অন্য যিকোনো গুৰুত্বপূৰ্ণ শিতানত ব্যয় কৰিব পাৰিব বুলি ড° গোস্বামীয়ে পৰামৰ্শ আগবঢ়াইছে। উল্লেখযোগ্য যে বৰ্তমান গুৱাহাটী নিবাসী ড° ভট্টাচাৰ্যৰ লগতে স্বামী কটন কলেজৰ ৰসায়ন বিভাগৰ প্ৰাক্তন অধ্যাপক ড° পদ্ম লাল গোস্বামীয়েও দীৰ্ঘদিন ধৰি অসমৰ শিক্ষাক্ষেত্ৰলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। ড° গোস্বামীৰ এই মহানুভৱতাক শ্ৰদ্ধা জনাই আজি কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক প্ৰহ্লাদ আৰ যোশীৰ নেতৃত্বত, ৰেক্টৰ অধ্যাপক মল্লিকা কলিতা, পঞ্জীয়ক ড° মনোজ শৰ্মাৰ লগতে বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ এটা প্ৰতিনিধি দল তেওঁৰ বাসগৃহত উপস্থিত হৈ কৃতজ্ঞতা জ্ঞাপন কৰে আৰু আন্তৰিকতাৰে সম্বৰ্ধনা জনায়। ড° গোস্বামীৰ এই দানে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংস্কৃত-ভাষা-সাহিত্য আৰু ভাৰতীয় জ্ঞান-পৰম্পৰাৰ অধ্যয়নত নতুন গতি প্ৰদান কৰিব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। শিক্ষাবিদগৰাকীৰ এনে নিঃস্বাৰ্থ ত্যাগ সমাজৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব বুলি ৰাইজে মন্তব্য কৰিছে।

### শিক্ষাবিদ ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীৰ মহানুভৱতা

# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত-পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ক দিলে ১ কোটি টকা



**বিশেষ বাৰ্তা, নিয়মীয়া বাৰ্তা, নলবাৰী, ১৫ জুলাই ঃ** সাঁচতীয়া ধন এক কোটি টকা নলবাৰীস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়লৈ দান কৰি সমাজত এক উজ্জ্বল দৃষ্টান্ত দাঙি ধৰিছে কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা তথা বিশিষ্ট সংস্কৃত পণ্ডিত ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীয়ে। বেংকৰ জৰিয়তে হস্তান্তৰ কৰা এই বৃহৎপৰিমাণৰ ধনৰাশি বিশ্ববিদ্যালয়খনে সংস্কৃত শিক্ষাৰ প্ৰসাৰ আৰু ভাৰতীয় জ্ঞান পৰম্পৰাৰ

১০ পৃষ্ঠা

# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত-পুৰাতন অধ্যয়ন

অধ্যয়ন-গৱেষণাৰ লগতে প্ৰয়োজন অনুসৰি অন্য যিকোনো গুৰুত্বপূৰ্ণ শিতানত ব্যয় কৰিব পাৰিব বুলি কটন মহাবিদ্যালয় তথা বৰ্তমানৰ কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা তথা বিশিষ্ট সংস্কৃত সাধক, পণ্ডিত ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীয়ে পৰামৰ্শ আগবঢ়াইছে। উল্লেখ্য যে বৰ্তমান গুৱাহাটী নিৱাসী ড° ভট্টাচাৰ্যৰ স্বামী কটন কলেজৰ ৰসায়ন বিভাগৰ প্ৰাক্তন অধ্যাপক ড° পান্নালাল গোস্বামীও এজন সুপৰিচিত শিক্ষাবিদ। অধ্যাপক দম্পতীয়ে দীৰ্ঘদিন ধৰি অসমৰ শিক্ষা ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াই আহিছে। ড° গোস্বামীৰ এই মহানুভৱতাক শ্ৰদ্ধা জনাই আজি কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক প্ৰহ্লাদ আৰ যোশীৰ নেতৃত্বত ৰেক্টৰ, অধ্যাপক মল্লিকা কলিতা আৰু পঞ্জীয়ক ড° মনোজ শৰ্মাৰ লগতে বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ এক প্ৰতিনিধি দলে তেওঁৰ বাসগৃহত উপস্থিত হৈ কৃতজ্ঞতা জ্ঞাপন কৰে আৰু আন্তৰিকতাৰে সম্বৰ্ধনা জনায়। ড° গোস্বামীৰ এই দানে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংস্কৃত ভাষা-সাহিত্য আৰু ভাৰতীয় জ্ঞান-পৰম্পৰাৰ অধ্যয়নত নতুন গতি প্ৰদান কৰিব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত...

সাধক পণ্ডিত ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীয়ে তেওঁৰ জীৱনজোৰা শিক্ষকতা বৃত্তিৰ সমস্ত সাঁচতীয়া ধন 'এক কোটি টকা' নলবাৰীস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়লৈ দান কৰি সমাজত এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰিছে। বেংকৰ জৰিয়তে হস্তান্তৰ কৰা এই বৃহৎ পৰিমাণৰ ধনৰাশি বিশ্ববিদ্যালয়খনে সংস্কৃত শিক্ষাৰ প্ৰসাৰ আৰু ভাৰতীয় জ্ঞান পৰম্পৰাৰ অধ্যয়ন-গৱেষণাৰ লগতে প্ৰয়োজন অনুসৰি অন্য যিকোনো গুৰুত্বপূৰ্ণ শিতানত ব্যয় কৰিব পাৰিব বুলি ড° গোস্বামীয়ে পৰামৰ্শ আগবঢ়াইছে। উল্লেখযোগ্য যে বৰ্তমান গুৱাহাটী নিৱাসী ড° ভট্টাচাৰ্যৰ স্বামী কটন কলেজৰ ৰসায়ন বিভাগৰ প্ৰাক্তন অধ্যাপক ড° পান্নালাল গোস্বামীও এজন সুপৰিচিত শিক্ষাবিদ। দম্পতীদ্বয়ে দীৰ্ঘদিন ধৰি অসমৰ শিক্ষা ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। ড° গোস্বামীৰ এই মহানুভৱতাক শ্ৰদ্ধা জনাই আজি কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক প্ৰহ্লাদ আৰ যোশীৰ নেতৃত্বত ৰেক্টৰ অধ্যাপক মল্লিকা কলিতা আৰু পঞ্জীয়ক ড° মনোজ শৰ্মাৰ লগতে বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ এটা প্ৰতিনিধি দলে তেওঁৰ বাসগৃহত উপস্থিত হৈ কৃতজ্ঞতা জ্ঞাপন কৰে আৰু আন্তৰিকতাৰে সম্বৰ্ধনা জনায়। ড° গোস্বামীৰ এই দানে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংস্কৃত ভাষা-সাহিত্য আৰু ভাৰতীয় জ্ঞান-পৰম্পৰাৰ অধ্যয়নত নতুন গতি প্ৰদান কৰিব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। শিক্ষাবিদ এগৰাকীৰ এনে নিঃস্বাৰ্থ ত্যাগে সমাজৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব বুলি সচেতন মহলে মন্তব্য কৰিছে।

# শিক্ষাবিদ ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীৰ মহানুভৱতা

# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়লৈ ১ কোটি টকা



নলবাৰী : নিজা বাতৰি প্ৰেৰকৰ, ১৪ জুলাই : শিক্ষাক্ষেত্ৰত এক অতুলনীয় দৃষ্টান্ত স্থাপিলে বিশিষ্ট শিক্ষাবিদ ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীয়ে। কটন মহাবিদ্যালয় তথা বৰ্তমানৰ কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা তথা বিশিষ্ট সংস্কৃত ১১ [illegible]

৬১ বছৰ। ৩৪৬ সংখ্যা, গুৱাহাটী, ৮ শাওণ, শনিবাৰ, ১৯৪৮ শক।

# পৰীক্ষাৰ অন্তিম দিনটোতে ফলাফল ঘোষণা

## শিক্ষাক্ষেত্ৰত ব্যতিক্ৰমী দৃষ্টান্ত নলবাৰীৰ সংস্কৃত বিশ্ববিদ্যালয়ৰ

দৈনিক অসমৰ প্ৰতিনিধি

**নলবাৰী, ২৪ জুলাই ঃ** শিক্ষাৰ্থীৰ শৈক্ষিক ভৱিষ্যৎ সুৰক্ষিত কৰাৰ দিশত নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ে এক সময়োচিত পদক্ষেপ লৈছে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আজি আইনৰ স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক পৰীক্ষাৰ অন্তিম দিনটোতেই মাত্ৰ চাৰি ঘণ্টাৰ ভিতৰত পৰীক্ষাৰ ফলাফল ঘোষণা কৰি বিশ্ববিদ্যালয়খনে এক দৃষ্টান্ত দাঙি ধৰিছে। এয়া শিক্ষাখণ্ডৰ সংস্কাৰৰ এক সময়োচিত পদক্ষেপ হিচাপে গণ্য হৈছে। উল্লেখ্য যে বিশ্ববিদ্যালয়ে আইনৰ স্নাতকোত্তৰৰ নতুন পাঠ্যক্ৰম যোৱা জানুৱাৰীৰ পৰা আৰম্ভ *১১ পৃষ্ঠাত চাওক*

# পৰীক্ষাৰ অন্তিম দিনটোতে ফলাফল ঘোষণা

কৰিছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ডঃ প্ৰশান্তজ্যোতি গৌতমে এই সন্দৰ্ভত অৱগত কৰে যে পৰীক্ষাৰ্থীসকলৰ ফলাফলৰ অপেক্ষাত অযথা ব্যয় হোৱা মূল্যৱান সময় ৰাহি কৰাৰ উদ্দেশ্যেই এই বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আধুনিক ডিজিটেল প্ৰযুক্তি আৰু মানৱীয় প্ৰচেষ্টাৰ এক বলিষ্ঠ সমন্বয়ৰ জৰিয়তে অতি কম সময়ৰ ভিতৰতে এই ফলাফল প্ৰকাশ কৰাটো সম্ভৱ হৈ উঠিছে। পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়ৰ নিৰ্দ্ধাৰিত ৱেবছাইটৰ লিংকত গৈ নিজৰ প্ৰাপ্ত নম্বৰৰ তালিকা সংগ্ৰহ কৰিব পাৰিব। তদুপৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ্থে অনলাইনযোগে উত্তৰবহীৰ পুনৰীক্ষণ আবেদনৰো ব্যৱস্থা কৰিছে। পুনৰীক্ষণৰ অনলাইন আবেদনৰ অন্তিম দিন ৪ আগষ্ট ধাৰ্য কৰা হৈছে। উল্লেখ্য যে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক প্ৰহ্লাদ আৰ যোশীৰ নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ ফলপ্ৰসূ ৰূপায়ণৰ দিশত বিশ্ববিদ্যালয়খন অত্যন্ত নিষ্ঠাৰে অগ্ৰসৰ হৈছে। শৈক্ষিক ব্যৱস্থাত স্বচ্ছতা, ক্ষিপ্ৰতা আৰু আধুনিকতাৰ অন্তৰ্ভুক্তিৰ বাবেই স্বাভাৱিক সময়ৰ বহু পূৰ্বে ফলাফল ঘোষণা কৰাটো সম্ভৱ হৈ পৰিছে বুলি বিশ্ববিদ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। বিশ্ববিদ্যালয়খনৰ এনে প্ৰশংসনীয় পদক্ষেপে শিক্ষাৰ্থীসকলক বিশেষভাৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে।

# शिक्षाक्षेत्रे अनुपमं निदर्शनम्:

## परीक्षायाः अन्तिमदिने एव कुमारभास्करवर्मासंस्कृत-पुरातनाध्ययनविश्वविद्यालयेन परीक्षाफलं घोषितम्



**हिमसंस्कृतवार्ता डॉ.निशिकान्तपाण्डेयः।** छात्राणां शैक्षणिकभविष्यस्य सुरक्षितीकरणाय नलबाडीस्थितः कुमारभास्करवर्मासंस्कृतपुरातन-अध्ययनविश्वविद्यालयः एकं युगान्तकारिणं समयोचितं च पदक्षेपं स्वीकृत्य अनन्यं निदर्शनं प्रस्तुतवान्। शिक्षासुधारस्य अभिनवप्रयासरूपेण विश्वविद्यालयप्रशासनेन अद्य विधि-पारङ्गत (LL.M.) प्रथमसत्रपरीक्षायाः अन्तिमप्रश्नपत्रस्य समाप्तेः केवलं चतसृषु (४) होरासु (घण्टासु) एव परीक्षाफलं घोषितम्। अस्मिन् वर्षे जनवरीमासे विश्वविद्यालयेन विधिशास्त्रे नूतनः स्नातकोत्तरपाठ्यक्रमः आरब्धः। एतस्याः उपलब्धेः विषये परीक्षानियन्त्रकः डॉ. प्रशान्तज्योतिगौतममहोदयः उक्तवान् यत्, परीक्षाफलस्य प्रतीक्षायां परीक्षार्थिनां यः बहुमूल्यः समयः प्रायशः नष्टः भवति, तस्य रक्षणार्थमेव एषा विशिष्टा व्यवस्था कृता। सः अवदत् यत् आधुनिक-अङ्कीय-प्रविधेः (Digital Technology) मानवीयप्रयत्नस्य च सुदृढसमन्वयेन एतादृशे न्यूनतमे समये परीक्षाफलं प्रकाशयितुं शक्यम् अभवत्। अपि च सूचितं यत् परीक्षार्थिनः विश्वविद्यालयस्य जालपुटे (Website) निश्चित-सङ्केत-माध्यमेन (Link) स्वकीयाम् अङ्कतालिकां (Score Card) प्राप्तुं (Download) शक्नुवन्ति। तदतिरिक्तं, छात्राणां सौकर्यार्थं विश्वविद्यालयेन उत्तरपुस्तिकानां पुनर्मूल्याङ्कनाय (Re-evaluation) अपि अन्तर्जालमाध्यमेन आवेदनस्य व्यवस्था कृता अस्ति। पुनर्मूल्याङ्कनार्थं अन्तर्जाल-आवेदनस्य अन्तिमा तिथिः ४ अगस्त, २०२६ इति निर्दिष्टा अस्ति। उल्लेखनीयम् अस्ति यत् कुलपतेः आचार्य-प्रह्लाद-रा-जोशी-महोदयस्य दूरदर्शिनि नेतृत्वे राष्ट्रिय-शिक्षा-नीतिः २०२० (NEP 2020) इत्यस्याः प्रभावी-कार्यान्वयनाय विश्वविद्यालयः निष्ठापूर्वकं प्रगत्या प्रसरति। विश्वविद्यालयस्य सूत्रानुसारं शैक्षणिकव्यवस्थायां पारदर्शिता, क्षिप्रता, आधुनिकता च समाविष्टा, येन कारणेन पारम्परिक-समयात् बहुपूर्वमेव परीक्षाफलं घोषितुं समर्थाः अभवन्। विश्वविद्यालयस्य एतादृशः प्रशंसनीयः उपक्रमः छात्रसमुदायस्य कृते विशेषतः लाभदायकः भविष्यति इति आशास्यते।

### शिक्षाक्षेत्रे अनुपमं निदर्शनम्:

# परीक्षायाः अन्तिमदिने एव कुमारभास्करवर्मासंस्कृत-पुरातनाध्ययनविश्वविद्यालयेन परीक्षाफलं घोषितम्

वार्ताहरः डॉ.निशिकान्तपाण्डेयः

नलबाडी। छात्राणां शैक्षणिकभविष्यस्य सुरक्षितीकरणाय नलबाडीस्थितः कुमारभास्कर वर्मासंस्कृत पुरातन अध्ययनविश्वविद्यालयः एकं युगान्तकारिणं समयोचितं च पदक्षेपं स्वीकृत्य अनन्यं निदर्शनं प्रस्तुतवान्। शिक्षासुधारस्य अभिनवप्रयासरूपेण विश्वविद्यालयप्रशासनेन अद्य विधि-पारङ्गत (LL.M.) प्रथमसत्रपरीक्षायाः अन्तिमप्रश्नपत्रस्य समाप्तेः केवलं चतसृषु (४) होरासु (घण्टासु) एव परीक्षाफलं घोषितम्। अस्मिन् वर्षे जनवरीमासे विश्वविद्यालयेन विधिशास्त्रे नूतनः स्नातकोत्तरपाठ्यक्रमः आरब्धः।



एतस्याः उपलब्धेः विषये परीक्षानियन्त्रकः डॉ. प्रशान्तज्योतिर्गोस्वामहोदयः उक्तवान् यत्, परीक्षाफलस्य प्रतीक्षायां परीक्षार्थिनां यः बहुमूल्यः समयः प्रायशः नष्टः भवति, तस्य रक्षणार्थमेव एषा विशिष्टा व्यवस्था कृता। सः अवदत् यत् आधुनिक-अङ्कीय-प्रविधेः (Digital Technology) मानवीयप्रयत्नस्य च सुदृढसमन्वयेन एतादृशे न्यूनतमे समये परीक्षाफलं प्रकाशयितुं शक्यम् अभवत्। अपि च सूचितं यत् परीक्षार्थिनः विश्वविद्यालयस्य जालपुटे (Website) निश्चित-सङ्केत-माध्यमेन (Link) स्वकीयाम् अङ्कतालिकां (Score Card) प्राप्तुं (Download) शक्नुवन्ति। तदतिरिक्तं, छात्राणां सौकर्यार्थं विश्वविद्यालयेन उत्तरपुस्तिकानां पुनर्मूल्याङ्कनाय (Re-evaluation) अपि अन्तर्जालमाध्यमेन आवेदनस्य व्यवस्था कृता अस्ति। पुनर्मूल्याङ्कनार्थं अन्तर्जाल-आवेदनस्य अन्तिमा तिथिः ४ अगस्त, २०२६ इति निर्दिष्टा अस्ति।

उल्लेखनीयम् अस्ति यत् कुलपतेः आचार्य-प्रह्लाद-रा-जोशी-महोदयस्य दूरदर्शिनि नेतृत्वे राष्ट्रिय-शिक्षा-नीतिः २०२० (NEP 2020) इत्यस्याः प्रभावी-कार्यान्वयनाय विश्वविद्यालयः निष्ठापूर्वकं प्रगत्या प्रसरति। विश्वविद्यालयस्य सूत्रानुसारं शैक्षणिकव्यवस्थायां पारदर्शिता, क्षिप्रता, आधुनिकता च समाविष्टा, येन कारणेन पारम्परिक-समयात् बहुपूर्वमेव परीक्षाफलं घोषितुं समर्थाः अभवन्। विश्वविद्यालयस्य एतादृशः प्रशंसनीयः उपक्रमः छात्रसमुदायस्य कृते विशेषतः लाभदायकः भविष्यति इति आशास्यते।